# তৃতীয় অধ্যায়

# ৩.০০ কোচ ৰাজবংশী জনগোষ্ঠীৰ বিবাহ সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰ

3.01. বিবাহ মাথোন দুটি অন্তৰৰ মিলনেই নহয় দুটা পৰিয়াল আৰু সমাজখনৰো মিলন। ভাৰতীয় সমাজ জীৱনত আৱাহমান কালৰে পৰা বিবাহ এক সামাজিক আৰু লৌকিক তাৎপৰ্য বহন কৰি আহিছে ব্যুৎপত্তিগতভাৱে 'বিবাহ' শব্দটি 'বি' উপসৰ্গ পূৰ্বক ধাতুৰ উত্তৰ ঞ প্ৰত্যয় যোগে নিস্পন্ন হৈছে।[1] বিবাহৰ মাজেৰে দাম্পত্য জীৱনৰ আৰম্ভণি হয় আৰু ই গোটেই জীৱনব্যাপী পাৰিবাৰিক, সামাজিক, লৌকিক আৰু ধৰ্মীয় পৰম্পৰাক বহন কৰি চলে। বিবাহ সম্পৰ্কে পাশ্চাত্যৰ মালিনৱস্কি (Malinowski) কৈছে – Marriage can not be defined as the licensing of sexual intercourse but rather as the licensing of parenthood".[2] প্ৰাশ্চাত্যৰ মচিভাৰে (Machiver) পৰিয়ালৰ সংজ্ঞা দিবলৈ গৈ কৈছে— 'The family is a group defined by a sex-relationship sufficiently precise and enduring to provide for the Procreation and up beinging of children'.[3]

ভাৰতীয় দৰ্শনত জীৱন নিৰ্বাহত বিবাহ হ'ল ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চতুৰ্বৰ্গ সাধনাৰ প্ৰৱেশ পথ। ঘেৰণ্ড সংহিতাত বিবাহিত স্ত্ৰীৰ চতুৰ্বৰ্গ সাধনাৰ নিৰ্দেশ পোৱা যায়— "ন গৃহম গৃহস্থ গৃহিনী গৃহমুচ্যতে। ত্বয়া সহিতা চতুৰ্বগ সাধনম কুৰু।"[4] ৰবীন্দ্ৰনাথ ঠাকুৰে বিবাহ সম্পৰ্কত কৈছে যে— 'জীৱ প্ৰকৃতি ও সমাজ প্ৰকৃতি এই দ্বৈৰাজ্যৰ শাসনে মানুষ চালিত এবং বিবাহ জিনিসটা সভ্য সমাজেৰে অন্যান্যসকল ব্যাপাৰেৰ মতোই প্ৰকৃতিৰ অভিপ্ৰায়েৰে সংগে মানুষেৰ অভিপ্ৰায়েৰ সন্ধি স্থাপনেৰ ব্যৱস্থা'।[5] অসমৰ বৃহত্তৰ জনগোষ্ঠীসমূহৰ ভিতৰত কোচ ৰাজবংশী এক অন্যতম বৃহৎ জনগোষ্ঠী। কোচ ৰাজবংশী জনগোষ্ঠী বিবাহ অনষ্ঠানত বৈদিক বা বেদাচাৰ, লোকাচাৰ, দেশাচাৰ, অভিচাৰিক সামাজিক আঙ্গিকসমূহ দেখিবলৈ পোৱা যায়।

**৩.০২. কোচ ৰাজবংশীৰ পৰম্পৰাগত বিবাহ পদ্ধতি ঃ**

প্ৰাচীন ভাৰতীয় শাস্ত্ৰসমূহত আঠ প্ৰকাৰৰ বিবাহৰ কথা উল্লেখ পোৱা যায়। ইয়াৰ ভিতৰত চাৰি প্ৰকাৰ সমাজৰ স্বীকৃতি প্ৰাপ্ত, যেনে— ব্ৰাহ্ম, দৈৱ, আৰ্য আৰু প্ৰাজাপত্য। আৰু চাৰি প্ৰকাৰ স্বীকৃতি নোপোৱা বিবাহ হৈছে— অসুৰ, গান্ধৰ্ব, ৰাক্ষস আৰু পৈশাচ।

**ব্ৰাহ্ম বিবাহ ঃ** ভাল স্বভাৱ-চৰিত্ৰৰ পাত্ৰ আনি পূজিত আৰু অলংকৃত কৰি কন্যাদান দিয়াকেই ব্ৰাহ্ম বিবাহ বোলে।[6]

**দৈৱ বিবাহ ঃ** যজ্ঞত পুৰোহিত কৰ্ম কৰোতে ঋত্বিজক অলংকৃত কৰি কন্যাদান দিয়াকেই দৈব বিবাহ বোলে।[7]

**আৰ্য বিবাহ ঃ** গৰুদানলৈ বিধিপূৰ্বক কন্যাদান দিলে ইয়াক আৰ্য বিবাহ বোলে।

**প্ৰাজাপত্য ঃ** বৰক যথাভাৱে পূজন কৰি 'তোমালোকে দুয়ো লগ হৈ গৃহস্থী ধৰ্ম পালন কৰা' বুলি কন্যাদান কৰাকে প্ৰজাপত্য বিবাহ বোলে।[8]

**অসুৰ বিবাহ ঃ** পোন দি ছোৱালীক কিনি বিয়া কৰাকে অসুৰ বিবাহ বোলে। আগতে কোচ ৰাজবংশী সমাজত অসুৰ বিবাহৰ প্ৰচলন আছিল।

**গান্ধৰ্ব বিবাহ ঃ** পিতা-মাতাক নজনা কৰি দৰা-কইনাই নিজৰ ইচ্ছাৰে বিয়াত বহিলে এই বিবাহক গান্ধৰ্ব বিবাহ বোলে।

**ৰাক্ষস বিবাহ ঃ** যুদ্ধ কৰি বা বলপূৰ্বক ছোৱালীক আনি বিয়া কৰাকে ৰাক্ষস বিবাহ বোলে।

**পিশাচ বা পৈশাচ বিবাহ ঃ** শুই থকা অজ্ঞান হৈ থকা, মদ খাই পগলা হৈ থকা কন্যাৰ লগত অকলশৰে পাই সম্ভোগ কৰা বিবাহ অত্যন্ত নিকৃষ্ট আৰু পাপপূৰ্ণ। এই বিবাহৰ নাম পিশাচ বা পৈশাচ বিবাহ বোলে।[9]

কোচ ৰাজবংশী লোকসকল বৰ্ণহিন্দু। কোচ ৰাজবংশী লোকসমাজত উপৰোক্ত আঠ প্ৰকাৰৰ বিবাহৰ ভিতৰত চাৰি প্ৰকাৰৰ বিবাহৰ প্ৰচলন আছে— (ক) প্ৰাজাপত্য, (খ) গান্ধৰ্ব, (গ) অসুৰ আৰু (ঘ) ৰাক্ষস।

ইয়াৰ উপৰিও কোচ ৰাজবংশী লোকসমাজত কিছুসংখ্যক পৰম্পৰাগত বিবাহৰ কথা উল্লেখ পোৱা যায়।

[1] ফুল বিবাহ (প্ৰাজাপত্য)

[2] দুতীয়া বিয়া

(3] পানী ছিতা বা পানী সৰপন।

(4] সাঙানী নেওৰা

[5] চতুৰ্দনী বিয়া

[6] ভাউজী বিয়া (Levirate Marriage)

(7] ডাঙ্গুৰা নেওৰা

[8] ঘৰ সোন্দানী বিয়া

[9] বিধুৰা নেওঁৰা।

[10] পৰক্ষেত্ৰী পাচুৰা

[11] গাওগছ

[12] ঘজ্জেয়া বা ঘৰজীয়া (ঘৰ জোঁৱাই)

[13] ডামদুমীয়া বিবাহ

(14] বহু বিবাহ

তলত এই বিয়া সমূহৰ বিষয়ে থুলমূল আভাষ দিবলৈ যত্ন কৰা হ'ল।

**(১) ফুল বিয়া (প্ৰাজাপত্য বিয়া) ঃ**

উপযুক্ত ল'ৰা-ছোৱালীৰ সামাজিকভাৱে হোৱা বিবাহক ফুল বিয়া কোৱা হয়। ফুল বিয়াৰ বাবে ঘটক বা কাৰোৱাৰ জৰিয়তে দৰা আৰু কইনাৰ সন্ধান হয় আৰু দুয়োকে পৰিয়ালৰ সন্মতি সাপেক্ষে বিয়া দিয়া হয়। ফুল বিয়াৰ দৰাক ফুলপাত্ৰ আৰু কইনাক ফুলকঞা বুলি কোৱা হয়। ফুল বিয়াত দৰা আৰু কন্যাপক্ষ আলোচনামৰ্মে বিয়াৰ দিন বাৰ ঠিক কৰা হয়। সেই দিনটোক বসিনা বা জপছিৰা ঠিক কৰে। জপছিৰা অনুষ্ঠানটো কইনাঘৰত পতা হয়। ফুল বিয়া ব্ৰাহ্মণ পুৰোহিতৰ দ্বাৰা সম্পন্ন কৰা হয় আৰু এই বিয়াত বৈদিক আচাৰ আৰু লোকাচাৰ সমূহ পালন কৰা হয়।

**(২) দুতীয়া বিবাহ ঃ** ল'ৰাৰ প্ৰথম পত্নী মৰিলে বা সংসাৰ নকৰা হ'লে ল'ৰাটোয়ে যদি আকৌ

বিয়া পাতে সেই বিয়াক দুতীয়া বিয়া বোলে। আৰু দৰাক দুতীয়া বৰ বোলা হয়। কইনাক কিন্তু দুতীয়া কইনা বোলা নহয়।

**(৩) পানী ছিতা বা পানী সৰপন বিয়া ঃ**

বিয়াৰ উপযুক্ত ডেকা ল'ৰাই ছোৱালীক পোন দিব নোৱাৰিলে (আৰ্থিকভাৱে দুৰ্বল) উভয় পক্ষৰ অভিভাৱকৰ উপস্থিতিত দৰাই-কইনাৰ মূৰত আমৰ পল্লৱৰে পানী ছটিয়াই স্বামী-স্ত্ৰীৰ মৰ্যাদা প্ৰদান কৰে। পিছত সমাজৰ মানুহখিনিক ভোজভাত দিব লাগে। ৰাইজক ভোজভাত নিদিয়ালৈকে তেওঁলোক সামাজিক স্বীকৃতি লাভ নকৰে। 'অধিকাৰীক মাতি আনি ঠাকুৰবাৰীত দৰা-কইনা উভয়কে বহুৱাই কুলা-চাইলন বাতি সন্মুখত থৈ আমৰ পলোৰে পানী ছটিয়াই দিয়া হয়। পানী ছটিয়াই অধিকাৰীয়ে দৰা-কইনাক আশীৰ্বাদ প্ৰদান কৰিলেহে তেতিয়া সেই বিয়া সামাজিকভাৱে স্বীকৃতি লাভ কৰে'।[10]

**(৪) সাঙানী নেওআ বিয়া ঃ**

নিজৰ স্ত্ৰী থাকোতে বা নাথাকিলে মানুহজনে যদি বিধুৱাক বা ভাতাৰচাৰীক (গিৰীয়েকক এৰি দিয়া) বিয়া পাতে সেই বিয়াক সাঙানী নেওআ বিয়া বোলা হয়।

**(৫) চতুৰ্দানী বিয়া ঃ**

'কোনো বিবাহিতা মহিলাই স্বামী জীৱিত থকা অৱস্থাত অইন এজন পুৰুষক বিয়া কৰিলে তাক চতুৰ্দানী বিয়া বুলি কয়'।[11] স্বামী গৰাকীয়ে যদি স্ত্ৰীৰ ভৰণপোষণ দিবলৈ সমৰ্থ নহয়, শাৰীৰিক ভাৱে অসুস্থ বা অক্ষম হ'লে, স্বামীয়ে যদি স্ত্ৰীক এৰি বহুদিন থাকে, তেতিয়া হ'লে মহিলাগৰাকী বৰ্তমানৰ স্বামীক এৰি বেলেগৰ লগত বিয়াত বহিব পাৰে। চতুৰ্দানী বিবাহৰ বাবে প্ৰথম স্বামীৰ লগত বিবাহ বিচ্ছেদৰ কোনো আনুষ্ঠানিকতা নাই। চতুৰ্দানী বিবাহে সমাজত স্বীকৃতি লাভ কৰে।

**(৬) ভাউজী বিয়া (Levirate Marriage) ঃ**

ককায়েকৰ মৃত্যুৰ পিছত দেওৰেয়েকৰ লগত বিধৱা বৌয়েক বিয়া হ'লে কোচ

ৰাজবংশী সমাজত ইয়াক ভাউজী বিয়া বোলে। এই বিয়া সামাজিকভাৱে স্বীকৃতি লাভ কৰে।

**(৭) ডাঙ্গুৰা নেওআ বিয়া ঃ**

কোনো বিধৱায় পতিৰূপে কোনো পুৰুষক ৰাখিলে (সম্পত্তিশালী বিধৱায়) সেই বিয়াক ডাঙ্গুৰা নেওআ বিয়া বোলে। ডাঙ্গুৰা সোন্দাৰ নিয়ম হ'ল পুৰুষজনে 'বিধৱাৰ ঘৰত সোমোৱাৰ সময়ত দুৱাৰৰ মুখত ৰখা জাতি তেলৰ পাত্ৰত তিনিবাৰ ডাং (কোব) মাৰিবা লাগে। বিধৱাগৰাকী ইচ্ছা কৰিলে পুৰুষজনক ঘৰৰ বাহিৰ কৰি দিব পাৰে। ই বিবাহত কোনো সমাজ স্বীকৃতি নাই আৰু ইয়াৰ বিচ্ছেদৰো আনুষ্ঠানিকতা নাই। এনে বিবাহত পুৰুষজনক ডাংগুৱা (ডাঙ্গুৰা) আৰু মহিলাগৰাকীক ডাংগুৱানী পাচুৰা বোলা হয়'।[12]

**(৮) ঘৰ সোনদানী বিয়া ঃ**

কোনো বিবাহিতা পুৰুষে জ্যেষ্ঠসকলৰ বাধা নেওচি কোনো মহিলাক ঘৰত সোমাই ল'লে তাক ঘৰ সোনদানী বিয়া বুলি কোৱা হয়।[13] পিছত পুৰুষজনে মহিলাগৰাকীক স্বীকৃতি দিয়ে। মহিলাগৰাকীৰ যদি স্বামী জীয়াই থাকে তেনেহ'লে তেওঁক ক্ষতিপূৰণ দিব লাগে। বিধৱাৰ ক্ষেত্ৰতে অধিক ঘৰ সোনদানী বিয়া দেখিবলৈ পোৱা যায়। সমাজে দুয়োজনকে স্বামী আৰু পুৰুষৰ মৰ্যাদা দিয়ে।

**(৯) বিধুৰা নেওআ বা বিধুৰা বিয়া ঃ**

কোচ ৰাজবংশী সমাজত বিধুৱা (বিধৱা) বিবাহৰ প্ৰচলন এতিয়াও আছে। উভয় পক্ষৰ আলোচনাৰ মাধ্যমত পোন লৈ বিধুৱা (বিধৱা) বিয়া দিয়া হয়। বিধুৱা বিয়াৰ ক্ষেত্ৰত কোনো এটা নিৰ্দিষ্ট দিনত পুৰুষজনে বিধৱাৰ ঘৰলৈ গৈ বিধৱাজনীক গহনা-গাঠৰী, শাড়ী আদি পিন্ধাই নিজৰ ঘৰলৈ অনা হয়।[14] ৰাইজক জ্ঞাতি ভোজ দিয়া নিয়ম। ভোজৰ পিছৰ পৰা দুয়োজনে সমাজৰ পৰা স্বামী স্ত্ৰীৰ মৰ্যাদা লাভ কৰে। কোচ ৰাজবংশী সমাজত বিধৱা মহিলাগৰাকীৰ প্ৰথম স্বামীৰ সন্তানবোৰে নতুন পিতৃক ধোকৰ বাপ আৰু সন্তানবোৰক ধোকৰ বেটাবেটী বুলি কয়।

**(১০) পৰক্ষেত্ৰী পাচুৰা ঃ**

'কোনো বিধৱাৰ দেখা শুনা কৰিবলৈ কোনো নাথাকিলে তেওঁ যদি কোনো পুৰুষৰ লগত গৈ তেওঁৰ সৈতে থাকিবলৈ লয়। তেতিয়া তাক পৰক্ষেত্ৰী পাচুৰা বুলি কোৱা হয়'।[15] সমাজৰ লোকে মিলি এই বিয়া দিয়ে। এনেকৈ পৰলৈ যোৱা বিধৱা তিৰোতাক কোচ ৰাজবংশী সমাজত ধেমনী বুলি কোৱা হয়।

**(১১) গাওগছ বিয়া ঃ**

কোনো বিধৱা তিৰোতাই গোপনে কোনো পুৰুষৰ লগত মিলন কৰি যদি অন্তঃসত্বা হয় তেতিয়া সমাজে পুৰুষজনক ধৰি বান্ধি বিয়া দিয়ে তাক গাওগছ বিয়া বুলি কয়। বিধৱা তিৰোতাজনীক গাওগছ পাচুৰা বা সেভ্ৰা ফেলা বুলি কয়।

**(১২) ঘৰজ্জেয়া বা ঘৰজীয়া (ঘৰজোঁৱাই) ঃ**

কোচ ৰাজবংশী সমাজত কোনো পৰিয়ালত যদি ল'ৰা সন্তান নাথাকে বা এজনী ছোৱালী হে আছে, তেন্তে সেই পৰিয়ালৰ সা-সম্পত্তিবোৰৰ ৰক্ষণাবেক্ষণৰ বাবে ডেকা ভাল ল'ৰা এজন ৰাখি ঘৰৰ উপযুক্ত ছোৱালীজনীৰ সৈতে বিয়া কৰাই দিয়া হয়। কোচ ৰাজবংশী সমাজত একমাত্ৰ কন্যা সন্তানৰ পিতৃ-মাতৃৰ তেওঁলোকৰ বৃদ্ধকালৰ চোৱা-চিতা আৰু স্থাৱৰ অৱস্থাৰ সম্পত্তিৰ চোৱা চিতাৰ বাবে নিজৰ ছোৱালীক দুখীয়া ল'ৰালৈকে বিয়া দি বিয়াৰ পিছত ল'ৰাটোক তেওঁলোকৰ ঘৰত স্থায়ী ভাৱে ৰাখি থয়। ল'ৰাজনৰ স্থায়ী ঘৰ শাহুৰেকৰ ঘৰখন হয়। জোঁৱায়েকে শহুৰ-শাহুয়েকৰ দেখা শুনাৰ দায়িত্ব আৰু তেওঁলোকৰ মৃত্যুৰ পিছত যাৱতীয় শ্ৰাদ্ধাদি কাম কাজ কৰে।

**(১৩) ডামদুমীয়া বিয়া ঃ**

ছোৱালীঘৰ দুখীয়া হ'লে, বিয়া দিবলৈ সামৰ্থ্য নহ'লে, অশুচি আদি থাকিলে, পিতৃ গৃহৰ পৰা বিয়া দিব পৰা নগ'লে ছোৱালীক ল'ৰাৰ ঘৰত আনি সামাজিকভাৱে বিয়া পাতে আৰু ৰাইজক ভোজভাত দিয়ে।

**(১৪) বহু বিবাহ ঃ**

কোচ ৰাজবংশী সমাজত এসময়ত বহুবিবাহ প্ৰচলন আছিল। ধনী, জমিদাৰ অথবা বিত্তবান লোকসকলোৰ লগতে সাধাৰণ মানুহেও বহুবিবাহ কৰিছিল।

ওপৰত উল্লেখ কৰা প্ৰায়বোৰ বিবাহ ব্যৱস্থা কোচ ৰাজবংশী সমাজত বৰ্তমান প্ৰচলনহীন হোৱাৰ দৰে হৈছে। বৰ্তমান ফুল বিয়া (প্ৰজাপত্য) সামাজিক ভাৱে বেছিকৈ পতা দেখা যায়।

**৩.০৩.১. ঘটক, ভাটাইত বা কাৰোৱা ঃ**

পূৰ্বৰে পৰা আজিলৈকে কোচ ৰাজবংশী বিয়াত ঘটক বা কাৰোৱাৰ দ্বাৰায় ঘটকালি কৰি বিয়া ঠিক কৰা হয়। দৰাপক্ষ আৰু কইনাপক্ষৰ মাজত আলাপ-আলোচনা কৰি বুজাবুজি কৰা এইবোৰ কাম ঘটকৰ দ্বাৰায় কৰা হয়। ঘটকজন হৈছে মাজৰ মানুহ ৰাজবংশী ভাষাত ঘটকক ভাটাইত বোলা হয়। ভাটাইত মৈথিলী শব্দ 'ভাট'ৰ পৰা আহিছে ভাট শব্দৰ অৰ্থ হৈছে সংযোগ ৰক্ষাকাৰী। ঘটকে বিয়া এখন ঠিক-ঠাক কৰিবলৈ কইনা ঘৰৰ কথা দৰা ঘৰত আৰু দৰা ঘৰৰ কথা কইনা ঘৰত সজাই-পৰাই কয়। সেইবাবে ঘটকে কেতিয়াবা মিছা কথাৰ আশ্ৰয় ল'ব লাগে বা লয়। দৰাঘৰৰ যৌতুক বা অন্য দাবী থাকিলে ঘটকৰ জৰিয়তে কইনা ঘৰত জনোৱা হয়।

**৩.০৩.২. দেখা দেখি পৰ্ব ঃ**

ল'ৰাৰ ঘৰৰ লোকে কইনা বা ছোৱালীক চাব যায় আৰু ছোৱালীঘৰৰ লোকে ল'ৰাৰ ঘৰ বংশ দেখা শুনা কৰাকে কোচ ৰাজবংশী সমাজত দেখা-দেখি বোলা হয়। দেখা দেখি কৰিব যাওঁতে অযুগ্ম সংখ্যাক লোক যাব লাগে (3জন, 5জন বা 7জন আদি)। দেখা-দেখি দিন শুভ দিনত কৰা হয়, শনিবাৰ, মংগলবাৰ, ভাদ মাহ, পুহ মাহ আৰু চ'ত মাহত দেখা দেখি কৰা নিষেধ। দেখা দেখি কৰিবলৈ যাওঁতে যাত্ৰাকালীন সময়ত মাটি খুন্দি থকা দেখা, খালী কলহ দেখা, বাঁহ কাটি থকা দেখা, সাপ, মেকুৰী, দেখা অমংগলৰ চিন। কাপোৰৰ বাতি কাঢ়ি থকা দেখা ভাল, ধানৰ ভাড় দেখা ভাল আৰু মৰাশ দেখিলে ভাল বুলি লোক বিশ্বাস আছে। চাব যোৱা ছোৱালীৰ ঘৰত যদি চোতালত ধান মেলি দিয়া দেখা ভাল। ছোৱালী বা ল'ৰাক দেখিব অহা লোকসকলক যথাযথ আপ্যায়ন কৰা হয়। তাৰ পিছত ছোৱালী বা ল'ৰা চাব গ'লে ছোৱালীজনী বা ল'ৰাজনে

কাঁহ নাইবা পিতলৰ কাঁহীত চাউল, দেউৰাৰী বাতি (চাকি), দুবৰী বন, পাণ-তামোল আৰু যোল আনা মূদ্ৰালৈ লোকসকলোৰ ওচৰত উপস্থিত হয়। লোকসকলে ছোৱালীজনীক বা ল'ৰাজনক আশীৰ্বাদ দিয়ে আৰু হাতত অলপ টকা-পইচা দান কৰে। উপস্থিত লোকসকলে ছোৱালী বা ল'ৰাক নাম গোত্ৰ, পিতৃ পৰিচয় ইত্যাদি জানি লয়। দুই পক্ষৰ মাজত কথা আলোচনা হয় আৰু প্ৰথমে যদি ল'ৰাই ছোৱালী চাব গৈছিল পিছত ছোৱালী পক্ষক ল'ৰাৰ ঘৰ চাবলৈ নিমন্ত্ৰণ দিয়ে। দুয়োপক্ষৰ মন মিলিয়ে ঘটকৰ জৰিয়তে কথা আগবঢ়াই নিয়ে আৰু পঞ্জিকা চাই ভাল দিনত বিয়াৰ দিন ঠিক কৰে।

**৩.০৩.৩. বাকদান/আশুৰবাদ/জপছিড়ি ঃ**

কোচ ৰাজবংশী সমাজত বাকদানেই বিবাহৰ শেষ কথা। কইনা ঘৰত এই অনুষ্ঠানটো পতা হয়। দুয়োপক্ষৰ আত্মীয় ইয়াত উপস্থিত থাকে। ল'ৰাৰ দেউতাকে কইনাৰ পিতৃক বাকদান কৰি কয়— 'তোমাৰ কইন্যাৰ সাথত্ হামাৰ ব্যাটাৰ বিয়াও হইবেই, আজি থাকি তোমাৰায় হামাৰায় বিয়াই হইলোং (তোমাৰ কন্যাৰ লগত মোৰ ল'ৰাৰ বিয়া হ'ব, আজিৰ পৰা তুমিময়েই বিয়ৈই)'।[16] বাকদানৰ দিনা কইনাৰ চোতালত তুলসীৰ তলত চাইলন বাতি, ধুপবাতি, জ্বলাই কইনাক বহুৱাই দৰাঘৰৰ পৰা শাড়ী, শাখা, টকা দি আশীৰ্বাদ দিয়ে। একেদৰে ছোৱালীৰ পিছত ল'ৰাৰ ঘৰত গৈ ল'ৰাক আশীৰ্বাদ দিয়ে। কিছুমান অঞ্চলত এই দিনতেই বিয়াৰ দিন ধাৰ্য কৰা হয়। বাকদান দিয়াৰ পিছত বিয়াৰ কথাৰ কোনো লৰচৰ নহয়। সেই দিনৰ পৰা দুয়োপক্ষ বিয়াৰ যোগাৰত নামি পৰে।

**৩.০৩.৪. নিৰীক্ষণ বা জোৰণ ঃ**

নিৰীক্ষণ বা জোৰণক অঞ্চলভেদে বসিনা আৰু সোনাকাপোৰও বোলা হয়। বিয়াৰ একমাহ, দুই মাহ বা সুবিধা অনুসৰি বিয়াৰ এসপ্তাহত মান আগতে নিৰীক্ষণ বা জোৰণ দিয়া হয়। নিৰীক্ষণৰ দিনা দৰাঘৰৰ পক্ষই কইনা ঘৰলৈ দৈ, মিঠাই, ফল, পাণ-তামোল, চূণ, পুঠিমাছ একযোৰ লগতে লগত ডাঙৰ মাছ এটি, কইনাৰ কাৰণে শাড়ী-শাখা, সেন্দুৰ, খাৰু, কাপোৰ কানি, চেণ্ডেল, সোন-ৰূপৰ অলংকাৰ বিভিন্ন প্ৰকাৰৰ প্ৰসাধনৰ বস্তু কইনাজনীক আশীৰ্বাদত দিয়া হয়।

দৰাপক্ষই বস্তু ভাৰ আনি কইনাঘৰৰ চোতালত তুলসীৰ তলত ৰাখে। দৰাঘৰৰ মানুহখিনিক কন্যাপক্ষই চাহ-মিঠাইৰে আপ্যায়ন কৰে। কইনাজনীক তুলসীতলীত বহুৱাই দৰাৰ ভায়েকে বস্তুবোৰ কইনাজনীৰ হাতত তুলি দিয়ে। কইনাৰ কপালত সেন্দুৰৰ ফোঁট দিয়া হয়। হাতত শাখা পিন্ধাই দিয়া হয়। সেইদিনাৰ পৰা কইনাজনীয়ে শাখা পিন্ধি থাকিব লাগে। কইনাক জ্যেষ্ঠসকলে আশীৰ্বাদ দিয়ে আৰু হাতত টকা দান কৰে। কইনাপক্ষৰ সামৰ্থ্য অনুসৰি উপস্থিত সকলক ভাতেৰে আপ্যায়ন কৰা হয়।

**৩.০৩.৫. আখা তোলা বা আখা পাকা (চৌকা বনোৱা) ঃ**

কোচ ৰাজবংশী সমাজত বিয়াৰ দহ-পোন্ধৰ দিন মান আগতে মাটিৰে নতুন আখা (চৌকা) বনোৱা হয়। শুভদিন চাই আমাৰ মাটি তোলা হয়। দুইজনী বৈৰাতীয়ে আমাৰ বাবে মাটি তোলে। মাটি তোলাৰ সময়ত আয়তীসকলে উৰুলি দিয়ে। নতুন আখাত বিয়াৰ দিন ভাত-তৰকাৰী ৰন্ধা হয়। দৰাৰ ঘৰত বনোৱা এই আখাত ভাত-তৰকাৰী খাই বৰঘৰীয়াই কইনা ঘৰলৈ যাত্ৰা কৰে। বিয়া হৈ যোৱাৰ তিনিদিন বা সাত দিনৰ পিছত বৈৰাতীয়ে আখাবোৰ ভাঙি মাটি দি পুতি দিয়ে। কোচ ৰাজবংশী সমাজত আখা তোলাৰ সময়ত বৈৰাতী আৰু আয়তী গীত গায়—

“আকাৰে আকা তুই ক আকা
তুই কাৰ হাতে জন্মৰে
মুই আকা জন্মৰে
আই বৈৰাতীৰ হাতেৰে
মুই আকা নাযাং তোমাৰ শিবেৰ বিয়াত।”[17]

**৩.০৩.৬. পৰঘৰী আনা ঃ**

দৰা ঘৰেই হওক বা কইনা ঘৰেই হওক বিয়াঘৰ এখনত বহুতো কাম থাকে। বিয়া ঘৰত কাম কৰিবলৈ বিয়াৰ কেইদিন আগতে গাঁৱৰে পৰা নিজৰ আত্মীয় মহিলাক নিমন্ত্ৰণ কৰি আনে। ইয়াকে কোচ ৰাজবংশী সমাজত পৰঘৰী আনা বুলি কোৱা হয়।

এওঁলোক আহি সৰা-মুচা কৰা, আখৈ ভজা, মুৰি ভজা, চিৰা খুন্দা কামবোৰ কৰে। বিয়াৰ শেষত এওঁলোকক শাড়ী উপহাৰ দি বিদায় দিয়া হয়। বৰ্তমান সময়ত পৰঘৰীয়া অনা নিয়মটো উঠি যোৱাৰ নিচিনাই হৈছে।

**৩.০৩.৭. মাড়োৱা গাৰা ঃ**

মাড়োৱা অবিহনে কোচ ৰাজবংশী বিয়াৰ কল্পনাই কৰিবই নোৱাৰি। ঘৰৰ বাস্তু দেৱতাৰ ঘৰৰ দুৱাৰত দুইফালে দুইডাল কলৰ পুলি পুতি দিয়া হয়। প্ৰতিটো কলৰ গছত পাঁচটা বা সাতখন কলপাত থাকিব লাগিব। কলগছৰ গুৰিত পানীপূৰ্ণ কলহ, আমপল্লৱ পাণ-তামোল দি সজাই দিয়া হয়। কলগছ দুজোপাত বগা সূতা দি মাজত ফুটা থকা দেওয়াৰি চাকি বান্ধি দিয়া হয়। দৰাঘৰতে হওক বা কইনা ঘৰতে হওক চোতালৰ চাৰিডাল কলপুলি পুতি মণ্ডপ সজোৱা হয়। এই মণ্ডপ চাৰিকোণীয়া। মণ্ডপৰ তিনিফালে সূতাদি আমৰ পাত বান্ধি দিয়া হয়। লোকবিশ্বাস মতে চাৰিডাল গছপুলি হৈছে ব্ৰহ্মাৰ চাৰিপুত্ৰ সনদ, সদানন্দ, সনাতন আৰু জনক হিচাপে ধৰে। তাকে কোৱা হয় মাড়োৱা। মণ্ডপৰ মাড়োৱাৰ চাৰিডাল কলপুলিৰ তলত সৰু মাটিৰ ঘট, আমপল্লৱ, সেন্দুৰ, তামোল-পাণ দিয়া হয়। মাড়োৱাৰ কলগছ দৰা বা কইনাৰ ভিনিয়েকক বা ভনী জোৱাইয়েকক পুতিবলৈ দিয়ে। কইনা ঘৰত দৰা আহি মাড়োৱাৰ তলত বহে মাড়োৱাৰ তলতে বিবাহ কাৰ্য সম্পন্ন কৰে।

**৩.০৩.৮. সুবচনী ঠাকুৰক গুৱা পাণ সোজা ঃ**

কোচ ৰাজবংশী সমাজত যিকোনো শুভ কামৰ আগত সুবচনী ঠাকুৰক পূজা কৰা হয়। বিয়াৰ দিনৰ আগৰ শনিবাৰ বা মংগলবাৰে সুবচনী দেৱীক গুৱা (তামোল) পাণেৰে পূজা দিয়ে এই পূজাতো সম্পূৰ্ণ স্ত্ৰী লোকাচাৰ মহিলাসকলে এই পূজাত অংশগ্ৰহণ কৰে আৰু সুবচনীৰ আখ্যান কথা পাঠ কৰে।

**৩.০৩.৯. নাপিতৰ ছেদ কৰ্ম ঃ**

বিবাহৰ দুদিন পূৰ্বে দৰাঘৰেই হওক বা কইনা ঘৰেই হওক নাপিতক মাতি আনি গাঁওবাসী

ৰাইজৰ চুলি কটা হয়। কোচ ৰাজবংশী ভাষাত এষাৰ কথা প্ৰচলিত আছে— ‘প্ৰথমে ছেদ কৰ্ম তাৰ পৰে বেদ কৰ্ম।’ নাপিত আহিলে দৰা বা কইনাক পিতৃ বা ভাতৃয়ে গাঁৱৰ ৰাইজক নিমন্ত্ৰণ দিয়ে চুলি কাটিবলৈ। বিয়াৰ দিনত ছেদ কৰ্ম কৰা নহয়। কিয়নো কাৰোবা যদি চুলি-ডাড়ি কাটোতে তেজ ওলাই তেতিয়া হ'লে অশুভ বুলি ভবা হয়।

**৩.০৩.১০. মনসা বা বিষহৰি পূজা ঃ**

কোচ ৰাজবংশী সমাজত বিয়াৰ আগতে মনসা বা বিষহৰি পূজা কৰা হয়। সামৰ্থ অনুসৰি তিনিদিনীয়া বা একদিনীয়া বা একৰাত্ৰি পূজা কৰা হয়। অঞ্চলভেদে বিয়াৰ আগদিনা গোটেই ৰাতি জাগি মনসা পূজা কৰা হয়।

**৩.০৩.১১. জাননী ভাৰ ঃ**

বিয়াৰ আগদিনা দৰাঘৰৰ পৰা ছোৱালীৰ ঘৰলৈ খবৰ কৰিব যায়। যাওঁতে জাননী ভাৰ লৈ যায়। এই জাননী ভাৰত কইনাৰ বাবে বিয়াৰ দিনা তেল চৰোৱা শাড়ী, গামোচা হবিস খাবৰ বাবে চাউল, আলু, দাইল, ঘি ইত্যাদি দিয়ে।

**৩.০৩.১২. অধিবাস ঃ**

বিয়াৰ আগদিনা অধিবাস। সেইদিনা দৰা আৰু কইনাই নাপিতৰ দ্বাৰা চুলি নখ কাটে। গা-পা ধুই পৰিস্কাৰ হৈ তুলসীৰ তলত বহে। তাতে এটা ঘটত আমৰপল্লৰ, পাণ-তামোল আৰু গামোচা এখনেৰে ঘটটো মেৰিয়াই দিয়া হয়। ব্ৰাহ্মণ বা কোচ ৰাজবংশীৰ নিজস্ব অধিকাৰীৰ দ্বাৰা সেই দিনা পূজা কৰা হয়। ব্ৰাহ্মণ বা অধিকাৰীয়ে ঘটত থকা পানী ছটিয়াই ‘দৰা-কইনাৰ গ'লত তুলসীৰ মালা পিন্ধাই দিয়ে আৰু গোপাল ঠাকুৰৰ ওচৰত দুয়োৰে মংগল কামনা কৰে’।[18] কালীপুখুৰী অঞ্চলত অধিবাসৰ দিনা বৈৰাতীয়ে পানী তুলিব যায়। পাঁচ বৈৰাতীয়ে পানী তুলিব। এই পানীৰে বিয়াৰ দিনা দৰা বা কইনাক গা ধুৱাই দিয়া হয়। কিন্তু কিছুমান অঞ্চলত বিয়াৰ দিনাহে পানী তুলি অনা দেখা যায়।

**৩.০৩.১৩. ষোড়শ মাতৃকৰ পূজা ঃ**

কোচ ৰাজবংশী সমাজত বিবাহত ষোড়শ মাতৃকাৰ পূজা কৰা হয়। ষোড়শ মাতৃকা হৈছে চণ্ডীকা, বাস্তু ঘৰত বাঁহৰ কুলাত ধান সজাই লৈ কলৰ 'নেউচ পাত'[19] দি 'ষোলটিয়া'[20] মনুয়া কলৰ (মনোহৰ) আখি স্থাপন কৰি তাতে সিন্দুৰ তামোল পাণ, আৰৈ চাউল, কল, গাখীৰ, দুবৰী বন, ফুল, বেলপাত, ধুপ, চাকি, কড়ি সহকাৰে ব্ৰাহ্মণ বা অধিকাৰীৰ দ্বাৰা বৈৰাতীয়ে পূজা দিয়ে। পূজা ভাগৰ ওচৰতে 'চাইলন বাতি'[21] সজাই ৰখা হয়। বিবাহ মণ্ডপ বহাৰ আগত দৰা বা কইনাই ষোড়শ মাতৃকাৰ বেদীত ভক্তি দিব লাগে।

**৩.০৩.১৪. হৰগৌৰী পূজা ঃ**

হৰগৌৰী পূজা অবিহনে কোচ ৰাজবংশীৰ বিবাহ সম্পন্ন নহয়। হৰগৌৰী পূজাৰ বাবে বাস্তু ঠাকুৰৰ ঘৰৰ বেৰত মাটি, গোবৰ আৰু গংগাজল মিহলি দুটি লডা বনাই বেৰত লগাই দিয়া হয়। লডা দুটাত কড়ি চাৰিটা বহাই দিয়া হয় আৰু ধান দুবৰী দিয়ে, সিন্দুৰৰ ফোঁট দিয়া হয়। এই মাটিৰ লডা দুটা হৰগৌৰীৰ প্ৰতীক। 'হৰগৌৰী পূজাত আৰ্য আৰু মংগোলীয় লোক দেৱতাৰ সমন্বয় দেখা যায়। হৰ বা মহাদেৱ মংগোলীয় আৰু গৌৰী আৰ্য।'[22] হৰগৌৰী পূজাৰ পিছতেই দৰা বা কইনাৰ পিতৃয়ে নান্দীমুখ শ্ৰাদ্ধ কৰে। যদি পিতৃ নাথাকে তেনেহ'লে খুৰা বা তেনে সম্পৰ্কীয় লোকে নান্দীমুখ শ্ৰাদ্ধ কৰে।

**৩.০৩.১৫. কুশণ্ডি পূজা ঃ**

কুশণ্ডি অমংগলৰ দেৱতা। বিবাহ অনুষ্ঠানত যাতে কোনোধৰণৰ অমংগল নহয়। সেইবাবে কুশণ্ডি পূজা কৰা হয়। একমাত্ৰ কোচ ৰাজবংশী বিবাহতহে এই পূজা কৰা হয়। কুশাণ্ডি দেৱতাৰ প্ৰতীক ৰূপে মাটিৰ সৰু ঢিপ বনাই তাতে ষোলটা বাঁহৰ কাঠিদি কাঠিৰ মূৰবোৰত মাটিৰে সাপৰ ফনা ধৰা আকৃতি কৰি বনোৱা হয়। এইবোৰত সেন্দুৰ আৰু আলতাৰে ৰং দিয়া হয়। এনেকুৱা এযোৰ বনোৱা হয়। এই দেৱতাৰ পূজাত আৰৈ চাউল, কল, গাখীৰ চিনি, ফল-মূল দিয়া হয়। এই পূজা এক অভিচাৰিক প্ৰক্ৰিয়া। এই পূজাত আগতে তামৰ পইচা দিয়া হৈছিল। কিন্তু এতিয়া এলুমিনিয়াম আৰু দস্তাৰ মূদ্ৰা দিয়া হয়। এই পূজা মহিলাৰ দ্বাৰা কৰা হয়।

**৩.০৩.১৬ নান্দীমুখ শ্ৰাদ্ধ ঃ**

বিয়াৰ দিনাখন ৰাতিপুৱা বা দুপৰীয়া ভাগত দৰাঘৰ আৰু কইনাঘৰত ব্ৰাহ্মণৰ দ্বাৰা নান্দীমুখ শ্ৰাদ্ধ কৰা হয়। নান্দীমুখ শ্ৰাদ্ধত পিতৃপুৰুষৰ আদ্যশ্ৰাদ্ধ কৰা হয়। নান্দীমুখ শ্ৰাদ্ধৰ বাবে এইবোৰ সামগ্ৰী প্ৰয়োজন হয়— 'যোলটিয়া মনোহৰ কল (মনুৱা কল), এক আখি, যোলটা বগৰীৰ পাত, হালধিৰ টুকুৰা, তামোল-পাণ, দুবৰীবণ, তুলসী, ফুল, বেলপাত, দৈ, গাখীৰ, ঘি, মৌ, চেনি ঘট দুটা, ঠগা, বাতি, ঘটৰ নাৰিকল, গামোছা, কাপোৰ, কড়ি পাঁচটা, চাটি,[23] কুলা, চালনী, আগতলি, কলপাত, কঁহুৱাবন, ধান, শাখা, সেন্দুৰ আয়না, ফণি, কুৰ হালধি, সৰিয়হৰ তেল, গোণতেল,[24] বাঁহৰ কাঠি যোল্লটি, পিৰা, শিল, চাউল, হালধি গুড়া, পাটি, চাদৰ ইত্যাদি।[25] দৰা আৰু কইনা উভয় ঘৰতে নান্দীমুখৰ শ্ৰাদ্ধ কৰা হয়। পিতৃপুৰুষৰ উদ্দেশ্যে এই শ্ৰাদ্ধ কৰা হয়। দৰাৰ পিতাই এই শ্ৰাদ্ধ কৰে। পিতা নাথাকিলে খুৰাই কৰে। ছোৱালীৰ ক্ষেত্ৰতো একে। যিয়ে সম্প্ৰদান কৰে বা কৰিব তেৱেঁই শ্ৰাদ্ধ কৰে। শ্ৰাদ্ধ শেষ হোৱাৰ পিছত ব্ৰাহ্মণে কইনা বা ল'ৰাৰ মূৰত শান্তিজল দিয়ে। শ্ৰাদ্ধ হোৱাৰ পিছতে দৰা আৰু কইনাই হাতত দৰ্পণ তুলি লয়। কোচ ৰাজবংশীসকলে দৰ্পণৰ বাবে দুখিলা আমৰ পাত, দুখিলা পাণ, তামোল এযোৰ আৰু এখন সৰু আয়না বাঁহৰ মাৰি এডালত নতুন কাপোৰেৰে মেৰিয়াই লোৱা হয়। দৰ্পনখন বিয়া শেষ নোহোৱালৈকে হাতত ৰাখিব লাগে। কোচ ৰাজবংশী সমাজৰ নিজা অধিকাৰীৰ দ্বাৰাও তুলসী তলত পূজা দিয়া হয়। অধিকাৰীয়ে বিষ্ণু বা কৃষ্ণৰ উদ্দেশ্য পূজা আগবঢ়ায় কিছুমান অঞ্চলত বিয়াৰ আগদিনা অধিকাৰীয়ে অধিবাসী সেৱা দিয়ে। বিষ্ণু বা গোপালৰ অধিবাস কৰা হয়। দৰাৰ মাকে পূজা কৰিব। মাক নাথাকিলে বৰমা বা খুৰীয়ে এই পূজা কৰে। গোপাল পূজাৰ বাবে 16 চকা (টুকুৰা) হালধি পাঁচ গৰাকী আয়তীয়ে পাঁচখন হাতেৰে পীৰাত পিহিব লগতে থাকিব সন্ধ্যা পহৰা[27] আৰু মিথি। কলৰ আখি, আমৰ পল্লৱ, ঘট, সেন্দুৰ, আসন-আঙুঠি, আইনা, ফনি দিব লাগে। তুলসী তলত এটা সৰু কলৰ পুলি ৰুৱা হয় আৰু হালধি পিহি বগা কাপোৰত হালধিখিনি দি কলৰ পুলিটোত মেৰিয়াই দিয়া হয়। পূজাৰ শেষত অধিকাৰীয়ে সকলোকে শান্তি কৰি দিয়ে।

**৩.০৩.১৭. বৰণডালা বা চাইলন বাতি ঃ**

বৰণডালা বা চাইলনবাতি অবিহনে এখন বিয়া সম্পূৰ্ণ নহয়। দৰাঘৰ আৰু কইনাঘৰত বৰণডালা লাগিবই। কইনাৰ ঘৰৰ বৰণডালাদি দৰাক বৰণ কৰা হয় আৰু দৰাঘৰৰ বৰণডালাদি কইনাক বৰণ কৰা হয়। বৰণডালাৰ কাৰণে এখন বাঁহৰ চাইলন কুলা লাগিব। তাৰ ভিতৰত কলৰ 'নিমচপাত'[28] দি তাতে ধান দুবৰী বন, কলৰ আখি, মাটিৰ এডোৰ চাকি, কড়ি, হালধিৰ টুকুৰা পাঁচটি বা সাতটি। সিন্দুৰৰ ফোঁট দি সজাই দিয়া হয় বৰণডালা। দৰাৰ ঘৰৰ বৰণডালা লৈ বিয়া কৰিব আহে। দৰা-কইনাৰ ঘৰত উপস্থিত হোৱাৰ পিছত কইনাঘৰৰ বৈৰাতী দুজনীয়ে বৰণডালা লৈ দৰাক বৰণ কৰি আনে। বিয়াৰ বাবে পানী তুলিব যোৱা, স্থানীয় মন্দিৰত যোৱাৰ সময়ত বৰণ ডালা লাগিবই। আঠমঙলা ভঙাৰ পিছত এদিন অধিকাৰীক মাতি সকলোৰে শান্তি হৈ পিছত বৰণডালা ভংগ কৰা হয়।

**৩.০৩.১৮. সৰগজল তোলা/জল বৰণ ঃ**

বিয়াৰ দিনাখন দৰা-কইনাক গা ধুৱাবৰ বাবে নদী বা পুখুৰীৰ পৰা বৈৰাতীসহ মহিলাসকলে গৈ পানী তোলে ইয়াক কোচ ৰাজবংশীসকলে সৰগজল তোলা বা জলবৰণ বুলি কয়। যাওঁতে আয়তীসকলে বিভিন্ন বিয়াগীত গায়। সৰগজল তুলিবৰ বাবে চাইলন বৰণডালাসহ দুটা কলহ লৈ নদী বা পুখুৰীলৈ যাত্ৰা কৰে। লগত লৈ যায় দৈ, গাখীৰ, গুৱাপাণ, তেল, সিন্দুৰ, আৰৈ চাউল, ঘিউৰ চাকি, তুলসী গছ, সূতা আদি। ঘাটত গৈ প্ৰথমে তেল, সেন্দুৰ আগবঢ়ায়। তাৰ পিছত আৰৈ চাউল, কল এযোৰ, আৰু পাণ-তামোল দি গংগাদেৱীক পূজা কৰা হয়। পানীত গংগা-যমুনাৰ উদ্দেশ্য ঘিৰ চাঁকি দিয়ে। লোকবিশ্বাসমতে যদি চাঁকি দুটা একেলগে গৈ থাকে তেনেহ'লে তেওঁলোকৰ সংসাৰ সুখৰ হ'ব আৰু যদি চাঁকি দুটা দুইফালে গ'লে সংসাৰ সুখৰ নহ'ব।[29] পিছত দুই আয়তী কলহত পানীভৰাই আৰু পিছফালে নোচোৱাকৈ যাত্ৰা কৰে। পানীতোলা অনুষ্ঠানটোত মহিলাসকলে বাজনাৰ তালে তালে নৃত্য কৰি আনন্দ-ফূৰ্তি কৰে। সৰগজল তুলিব যাওঁতে বৈৰাতী আৰু আয়তীসকলে বিভিন্ন বিয়াগীত জুৰি আনন্দ ফুৰ্তি কৰে। সৰগজল তোলাৰ গীত—

"ডিগি দিলং পুষকন্নী দিলং

জল কেনে ঘোলা

আমাৰ বৰু ৰতন জ্বলে

তোমাৰ বালী কেনে কালা

না-কণ-না-কণ শশুৰী মাওঁ

আমাৰ দুখেৰ কাথা

গৰু ছাগল চৰেয়া মাইছি

শৰীৰ হৈছে কালা।"[30]

আহোতে স্থানীয় মন্দিৰত গৈ চাকি ধুপ জ্বলাই ফল-মূল দি পূজা কৰি আহে।

**৩.০৩.১৯. তেল চৰোৱা ঃ**

বিয়াৰ দিনা কইনা আৰু দৰাৰ মূৰত তেল চৰোৱা হয়। তেল চৰোৱাৰ বাবে হালধি সাত টুকুৰা দুবৰীবন, মিঠাতেল, তামোল-পাণ, কলৰ দোনাত লৈ পাঁচজন ছোৱালীয়ে দৰা আৰু কইনাৰ মূৰত তেল দিয়ে। তেল চৰোৱাৰ পিছতহে দৰা আৰু কইনাক গা ধুৱাব পাৰি।[31]

**৩.০৩.২০. ঘাট কামা ঃ**

কোচ ৰাজবংশী সমাজত সাধাৰণতে সন্ধিয়াৰ পিছতহে দৰা-কইনাক গা ধুৱায়। ঘাট কামাৰ বাবে কলগছৰ মাজৰ অংশ আনুমানিক 1হাত জোখৰ চাৰি টুকুৰা কাটি লোৱা হয়। চাৰিটা বাঁহৰ আগলি, কুলা, চালনী আদি লাগে। কলগছৰ টুকুৰা চাৰিটা চাৰিওফালে দি আগলি বাঁহবোৰ পুতি দিয়া হয়। তাতে দৰা-কইনাক বহুৱাই গাত পানী ঢালি দিয়া হয়। আকৌ সেৰফানগুৰি অঞ্চলত চোতালত সৰুকৈ চাৰিকোণীয়াকৈ গাত খান্দি তাতে পানী দি দৰা-কইনাক গা ধুৱাই। সেই গাতটো দৰা-কইনাৰ ভিনিয়েক বা ভনীজোৱাইয়ে খান্দিব লাগে। দৰা-কইনাক ঘাটলৈ ভিনীয়েকে দাঙি আনিব লাগে। দৰা-কইনাক মাহ হালধিৰে গা ধুৱাই। কইনাৰ গা ধোৱা শাড়ীখন দৰা ঘৰে পঠিয়ায়। গা ধোৱা ঘাটত বৈৰাতীয়ে বৰণডালা, কলহলৈ দৰা বা কইনা পীৰাত বহুৱাই গাত পানী ঢালি দিয়ে। কইনাৰ মাকে প্ৰথমে কইনাজনীৰ গাত

পানী ঢালি দিয়ে। দৰা বা কইনাৰ গাত পানী ঢালি দি আয়তীসকলে গীত গায়।

"আইসো মাহি আইসো ৰে পীৰাত চৰোৰে
নাই হামাৰ পীৰাত চৰিবাৰ হাউসৰে
গা পাও ধুইয়া মাহি যায় মায়েৰ আগে
মায়ে যে তুলিয়া নিলেক কোলেৰে।"[32]

**৩.০৩.২১ বৰাণুগমণ ঃ**

কোচ ৰাজবংশী সমাজৰ বিয়া পঞ্জিকাৰ লগ্ন মতে হয়। সেইবাবে সঠিক লগ্নৰ আগতে দৰাই কইনা ঘৰলৈ যাত্ৰা কৰে। দৰাঘৰীয়াই খাই বৈ দৰাক সাজু কৰি বাস্তু ঠাকুৰক সেৱা কৰি পিছত পিতৃ-মাতৃ জ্যেষ্ঠজনক সেৱা কৰি যাত্ৰা কৰে। দৰাৰ লগত বৰণডালা লৈ বৈৰাতী দুজনী আহে। আগতে দৰাই গৰু বা মহৰ গাড়ীৰে যাত্ৰা কৰিছিল কিন্তু বৰ্তমান সময়ত গাড়ীৰে যাত্ৰা কৰে। নিৰ্দিষ্ট সময়ত কইনাৰ ঘৰ পোৱাৰ সময়ত বৈৰাতী সহ কইনাৰ মাকে দৰাক আদৰি আনে। দুৱাৰ মুখত কইনাৰ ভনীয়েকে দৰাৰ ভৰি ধুৱাই দিয়ে। কইনাঘৰত দৰাক দুৱাৰত ভিতৰলৈ সোমাবলৈ বাধা দিয়ে ইয়াক হাঙাৰ ধৰা বুলি কয়। দৰাঘৰীয়াই মাননি দিলেহে দৰাক ভিতৰত যাব দিয়ে। দৰাক কইনাঘৰত বৈৰাতীয়ে হস্তডগ কৰিবৰ কাৰণে লৈ যায়। বিয়া মণ্ডপত পীৰা এখনত দৰাক থিয় কৰায়। তাতে কইনাৰ পিতৃয়ে দৰাক কাপোৰ, ফালি, কাপোৰ, পাণ-তামোল এযোৰ দিয়ে। পুৰোহিতে বিয়াৰ মন্ত্ৰ মাতে।

**৩.০৩.২২. নাৰদেৰ ভাৰ, লাখল ভাৰ ঃ**

দৰাই যেতিয়া বৰযাত্ৰীসহ কইনা ঘৰলৈ যাত্ৰা কৰে। তেতিয়া এজনে কান্ধত 'নাৰদৰ ভাৰ' লৈ যায়। এই নাৰদৰ ভাৰক মংগল সূচক বাৰ্তা হিচাপে পঠোৱা হয়। কোচ ৰাজবংশী সমাজত বিবাহত নাৰদৰ ভাৰ লৈ যোৱাটো অতি আৱশ্যকীয় প্ৰথা। নাৰদৰ ভাৰৰ কাৰণে এডাল বাঁহত দুয়োফালে বহুত বস্তু ভাৰ কৰি লৈ যায়। বাঁহডাল বিপদ ভঞ্জনৰ প্ৰতীক। এক আখি, যোলটিয়া কল যিয়ে বহন কৰে শুভকৰ্মৰ প্ৰতীক। পাণ-তামোল এযোৰ যি আতিথ্য ৰক্ষাৰ প্ৰতীক, হালধিৰ সাত টুকুৰা, দুবৰীবন, ধান যি মংগলৰ প্ৰতীক আৰু থাকে পাঁচ বা

সাতটা পুঠিমাছ যি প্ৰজননৰ প্ৰতীক। লগতে থাকে দৈ-চিৰা। এই নাৰদৰ ভাৰ নিয়া প্ৰথাক নিষ্ঠা সহকাৰে পালন কৰা হয়।

নাৰদৰ ভাৰৰ লগতে আৰু এখন ভাৰলৈ যোৰা হয় সেয়া লাখল ভাৰ বা গৰখীয়া ভাৰ। এই ভাৰ গৰখীয়াসকলৰ বাবে লৈ যায় এই ভাৰত দৈ, চিৰা, কল, গুৰ, তামোল-পাণ আদি থাকে। এই লাখল ভাৰ কইনা ঘৰৰ দুৱাৰত ধেমালী কৰি খোৰা হয়।

### ৩.০৩.২৩. বিবাহ আৰম্ভ ঃ

কইনা ঘৰত দৰা আহি পোৱাৰ পিছত কইনাৰ পিতৃয়ে দৰাক নানা সামগ্ৰী দি দৰাক বৰণ কৰে। পুৰোহিতে বিধিমতে বিয়া আৰম্ভ কৰে। কোচ ৰাজবংশীসকলৰ বিয়া যৰ্জুবেদীয় পদ্ধতিৰে ব্ৰাহ্মণৰ দ্বাৰা মন্ত্ৰ মাতি, হোম যজ্ঞ পাতি বিবাহ কাৰ্য সম্পন্ন কৰে। কইনাক সজাই-পৰাই কইনাৰ ভিনিয়েকে কোলাত তুলি বিয়া মণ্ডপলৈ আনি পীৰাত বহাই দিয়ে। কইনাদান কৰে পিতৃয়ে। পিতৃ নাথাকিলে খুৰাই কইনাদান কৰে। কইনাক মণ্ডপত আনি প্ৰথমে দৰাৰ চাৰিওফালে সাতপাক ঘূৰোৱা হয়। কইনা আৰু দৰাৰ মাজত এখন কাপোৰ আৰি দিয়া হয় যাতে দুয়োৰে দুয়োজনক দেখা দেখি কৰিব নোৱাৰে। দৰাই কইনালৈ আখৈ চটিয়াই আৰু কইনায়ো দৰালৈ আখৈ চটিয়ায়। এনেদৰে পাঁচবাৰ বা সাতবাৰ আখৈ চটিয়াই। এই লোকাচাৰ শেষ হোৱাৰ পিছত দৰা-কইনাৰ মালা বদল কৰা হয়। মালা বদল হোৱাৰ পিছত দৰাৰ বাওঁফালে কইনাক বহুৱায়। কইনাৰ পিতৃয়ে কন্যাদান কৰে। ইয়াৰ পিছত ব্ৰাহ্মণে হোম যজ্ঞ কৰে। হোমত আমখৰি আৰু ঘি দিয়া হয়।

### ৩.০৩.২৪. নাপিতৰ গৌৰ বচন ঃ

কইনা বিয়া মণ্ডপত বহাৰ পিছত হোম আৰম্ভ কৰে আৰু নাপিতক গৌৰ বচন বুলিব দিয়ে। নাপিতে গৌৰ বচন আৰম্ভ কৰে —

নমঃ শুভ নমঃ শুভ স্বৰ্গেৰ পুৰন্ধৰ।  
বিবাহেৰ মন্ত্ৰনা কৰিতে কৈলাশে পাঠাইছিল চৰ।।  
নাৰদকে ডাকিয়া কথা বলিলেন ত্বৰিত।  
মন্ত্ৰনা কৰিতে হইবে হৰ-দেবেৰ সহিত।।

শিব কয় শুনো নাৰদ মহামুনিবৰ।
ভাটাইত হইয়া যাওয়া হিমালয় ৰাজাৰ ঘৰ।।
পৰমা ৰূপসী কইন্যা হিমালয় ৰাজাৰ নন্দিনী।
বিয়াৰ যোটক কৰিয়া দেও মহামুনি।।
এতেকে শুনিয়া নাৰদ কৰিলা গমন।
আনন্দে পৌছিল গিয়া হিমালয় ভৱন।।
সুবৰ্ণেৰ গুৱা নিল সুবৰ্ণেৰ পাণ।
মংগলেৰ চিহ্ন নিল দুৰ্বা হলুধ ধান।।
কতেক দুৰে যাইতে নাৰদ কতেক দুৰে গেল।
হিমালয়েৰ ঘৰে গিয়া উপনিত হইল।।
একত ডাক দুইও ডাক তিনিও ডাক দিল।
চতুৰ্থ ডাকেৰ বেলা শুনিবাৰও পাইল।।
নাৰদকে দেখিয়া হিমালয় ৰাজাৰ হৰষিত মন।
কৰপূৰ তামুল দিয়া জিজ্ঞাসে বচন।।
হাস্য কৰি নাৰদ মুনিৰে কৰে আলাপন।
কি কাৰণে আসিয়াছ বলেহে এখন।।
নাৰদ বলে শুনোহে হিমালয় মহাৰাজ।
ঘৰে আছে যুৱতী কন্যা মুখে নাহি লাজ।।
যথা দেবশাস্ত্ৰে পুৰাণেতে সাধুশাস্ত্ৰে কয়।
সপ্তম বৎসৰে কন্যাৰ বিবাহ দিতে হয়।।
ইহাৰ অধিক যদি দ্বাদশ বৎসৰ হয়।
ডাক দিয়া আনিয়া বৰে কন্যা দিতে হয়।।
বাপ মৰে ঘৰে কন্যা ঋতুবতি হইলে।
সাতপুৰুষ পাপে মজে নৰকেৰ অনলে।।
দেবশাস্ত্ৰে পুৰাণেতে সাধু শাস্ত্ৰে কয়।

সপ্ত হইতে দ্বাদশ বর্ষে কন্যাৰ বিবাহ দিতে হয়।।
হেন বাক্য শুনিয়া হিমালয় ৰাজা চিন্তিত মনে।
উত্তৰ কৰিল তথায় নাৰদেৰ বচনে।।
হিমালয় ৰাজ বলে শুনো নাৰদ মহামুনিবৰ।
মহাদেবে লাইয়া আইস হেথায় সত্বৰ।।
গৌৰী সনে বিবাহ দেব এই কৰি মন্ত্ৰণা।
দেবশাস্ত্ৰে, সাধুশাস্ত্ৰে আৰনা কৰি গঞ্জনা।।
কোথায় গেল মেনকা সুন্দৰী, ধৰ্মপত্নী।
মহাদেবৰ গলে মাল্য দিবেক গৌৰী।।
ধৰম পোতাইয়া দিল চাইৰ গাছি কলা।
খুৰম সজাইল আসি ছাদনা-তলা।।
গোৰক্ষনাথ বসাইল ঘট, গচা, চাইলন।
সুবচনী চৰাইল তাৰ তলে আলপন।
তাৰ তলে বসিলেক ব্ৰাহ্মণ পুৰোহিত।
বৰবেশে মহাদেব আসিলেক ত্বৰিত।।
ডাইনে বসিল হৰ বামেতে গৌৰী।
সবে মিলে জয় ধ্বনি বল হৰি হৰি।।[33]

গৌৰ বচনত শিৱ পাৰ্বতীৰ বিবাহৰ বৰ্ণনা পোৱা যায়।

**৩.০৩.২৫. যোটক গিটো বা লগন গিটো বান্ধা ঃ**

নাপিতৰ গৌৰ বচন শেষ হোৱাৰ পিছত দৰাৰ অংগবস্ত্ৰৰ লগত কইনাৰ শাড়ীৰ কোণ এটা লৈ ব্ৰাহ্মণে মন্ত্ৰ মাতি বান্ধি দিয়ে। এই যোটকগিটোত কোচ ৰাজবংশী সমাজে খুবেই পবিত্ৰ বুলি মানে। এই যোটকগিটোই তেওঁলোকৰ যুগ্ম জীৱনক জন্ম-জন্মান্তৰৰ বাবে বান্ধি দিয়ে বুলি বিশ্বাস কৰে। যোটক গিটোক বন্ধাৰ সময়ত আয়তীসকলে মংগল উৰুলি দিয়ে।

**৩.০৩.২৬. আখৈ তোলা ঃ**

দৰা-কইনাক হোমৰ গুৰিত থিয় হ'ব দিয়া হয়। কন্যাৰ সৰু ভাইয়ে দৰা-কইনাৰ হাতত আখৈ তুলি দিয়ে। আখৈখিনি হোমৰ জুইত দিয়া হয়। এনেদৰে তিনিবাৰ দিয়া হয়। আৰু সেই আখৈখিনি হোমৰ জুইত দিয়া হয়। আখৈ তলা জনক দৰাঘৰে বস্ত্ৰদান কৰে।

**৩.০৩.২৭. সম্পলক দান/কন্যা সম্প্ৰদান ঃ**

কইনাৰ পিতৃয়ে কন্যা সম্প্ৰদান কৰে। পিতৃয়ে দৰাক কয়— "ওঁ ধৰ্মে চাৰ্থে চ কামেচ না তিচৰি তব্য তয়া হয়ং" (হে বোপা, মই মোৰ কন্যাক তোমাৰ ওচৰত অৰ্পণ কৰিলোঁ, তুমি ধৰ্ম, কৰ্ম, অৰ্থ আৰু কাম এই তিনিটাতে কন্যাক অতিক্ৰম নকৰিবা।)[34]

দৰাই উত্তৰ দিব— "ওঁ ধৰ্মে চাৰ্থেচ কামেচ নীতিচৰিতব্যা প্ৰজাপতি দৈবতা অমুকীত্য ভিদানা কন্যাক মমেয়ম" (মোৰ দ্বাৰা এই কন্যাক ধৰ্ম, অৰ্থ আৰু কাম এই তিনিটাতে অতিক্ৰম কৰা নহ'ব।)[35] ব্ৰাহ্মণে পুৰোহিতৰ মন্ত্ৰোচ্চাৰণত বিবাহ কাৰ্য আগবাঢ়ি গৈ থাকে। সম্পলক দানত কইনাৰ পিতৃয়ে কাঁহ-পিতলৰ কলহ, পাণ বটা ইত্যাদি দিয়ে। দান দিয়াৰ সময়ত দৰা-কইনাক আত্মীয় স্বজনে বিভিন্ন সামগ্ৰী, টকা, কাপোৰ, সোণ-ৰূপৰ বস্তু যৌতুক হিচাপে আগবঢ়ায়।

**৩.০৩.২৮. গুফেলানী শাড়ী ঃ**

কোচ ৰাজবংশী সমাজৰ বিয়াত কইনাৰ মাকক গুফেলানী শাড়ী দিয়াটো এক গুৰুত্বপূৰ্ণ লোকাচাৰ। সন্তানৰ জন্মৰ পৰা ডাঙৰ-দীঘল কৰা লৈকে সন্তানৰ মল-মূত্ৰ, বেমাৰ আজাৰত কিমান কষ্ট কৰিব লগা হৈছিল। মৰমেৰে ইমান ডাঙৰ-দীঘল কৰাৰ পিছত তেওঁৰ অন্তৰশূন্য কৰি লৈ যাব। কিন্তু কোচ ৰাজবংশী লোকবিশ্বাসত মাকৰ কোলা খালি কৰি কইনাক বিয়াৰ মণ্ডপত বহোৱা নাযায় সেই কাৰণে প্ৰতিদান ৰূপে কইনাৰ মাকক এখন শাড়ী দান দিব লাগে। এই শাড়ীখনক গু-ফেলানী শাড়ী নামেৰে জনা যায়। অৰ্থাৎ মাকে যে কইনাজনীক জন্মৰ পৰাই মল-মূত্ৰ পৰিস্কাৰ কৰিছে তাৰ বাবে এই শাড়ীখন দৰাঘৰে কইনাৰ মাকক দান দিয়ে।

**৩.০৩.২৯. মিত্ৰ বা মিতৰ ধৰা ঃ**

কোচ ৰাজবংশী বিবাহত মিত্ৰ বা মিতৰ ধৰা পৰম্পৰা আগৰে পৰা চলি আছে। বিয়াত

কইনা সম্প্ৰদান হোৱাৰ পিছত দৰাৰ সমবয়সীয়া বন্ধু এজনক মিতৰ ধৰাৰ বাবে সাজু কৰিব লাগে। দৰাৰ মিতৰ হ'ব লগাজনে আমপল্লৱৰ সৈতে জলপূৰ্ণ কলহ এটা লৈ আহে। তাতো তামোল-পাণ এযোৰ থাকে।

দৰাই তেওঁক সোধে — "ভো মিত্ৰ, ভো মিত্ৰ কিম আনয়তি"।

মিত্ৰই উত্তৰ দিব — "ভো মিত্ৰ তব বিবাহ বাৰ্তা শ্ৰবণাং পবিত্ৰ গংগা জলম আনয়তি।"

দৰাই ক'ব — কিঞ্চিত দেহি?

মিত্ৰই উত্তৰ দিব — সৰ্ব এব তব।[37]

এই বুলি পানীৰ কলহটো দৰা-কইনাৰ হাতত অৰ্পণ কৰে। ব্ৰাহ্মণে মন্ত্ৰ মাতি কলহৰ পানী আমপল্লৱৰে দৰা-কইনা আৰু মিতৰৰ মূৰৰ ওপৰত ছটিয়াই দিয়ে। মিতৰ ধৰা পিছত আজীৱন এই সম্পৰ্ক ৰক্ষা কৰি চলিব লাগে। "মিতৰ ধৰা অনুষ্ঠানটো লোকাচাৰ যেন লাগিলেও, এয়া বৈদিক আচাৰ।"[36] দুয়ো মিতৰৰ নিজস্ব মানুহ মৰিলে দুয়ো অশৌচ পালন কৰিব লাগে আৰু ব্ৰাহ্মণক মাতি ৰীতি মতে শ্ৰাদ্ধ কৰিব লাগে।

**৩.০৩.৩০. পানীছিটা বাপ মাও ঃ**

কোচ ৰাজবংশী সমাজত পানীছিটা অনুষ্ঠানটো দেশাচাৰ অনুষ্ঠান। মিতৰ ধৰাৰ পিছত পানীছিটা অনুষ্ঠান কৰা হয়। দৰা-কইনাৰ পানী ছিটা বাপ মাওৰ বাবে দুজন বয়স্ক পুৰুষ-নাৰীক ঠিক কৰা হয়। পানীছিটা অনুষ্ঠানটোৰ বাবে পানীছিটা বাপ মাওৰে বিবাহ মণ্ডপত থকা ঘটৰ পানী আমৰপল্লৱৰে দৰা-কইনাৰ মূৰত ছটিয়াই দিয়ে। ব্ৰাহ্মণে মন্ত্ৰোচ্চাৰণ কৰে। দৰা-কইনাই দুয়োজনকে সেৱা কৰে। পানীছিটা বাপ মাওক দৰা-কইনা বাবা-মাও বুলি মাতে। যদি পানীছিটা বাপ মাও দৰা পক্ষৰ পৰা ঠিক কৰা থাকে। তেনেহ'লে দৰা তেওঁলোকৰ পুত্ৰ আৰু কইনা পুত্ৰ বধু আৰু যদি কইনা পক্ষৰ পৰা ঠিক কৰা হয় তেনেহ'লে কইনা তেওঁলোকৰ বেটী আৰু জোঁৱাই সম্পৰ্ক হ'ব। তেজৰ সম্পৰ্ক থাকিলে পানীছিটা বাপ মাও হ'ব নোৱাৰে। পানীছিটা বাপ মাওক দৰা-কইনাৰ বাপ-মাওৰে (পিতা-মা), শোংৰা-শুংৰী বুলি মাতে। পানী ছিটা বাপ মাও মৰিলে তিনিদিনীয়া অশৌচ পালন কৰিব লাগে। তিনদিনত পিণ্ডদান কৰিব লাগে। কোচ ৰাজবংশী সমাজৰ বিবাহ অনুষ্ঠানত পানীছিটা বাপ-মাও পতা নিয়ম আৱহমান কালৰে পৰা চলি আহিছে। কোচ ৰাজবংশী

গীতত পোৱা যায়—

'যদি থাকে পানীছিটা বাপ মাও
বিপদ পৰিলে ওটে যাও।।
তৰাইবে ভৰাইবে কৰিবে উদ্ধাৰ
নিয়া যাইবেন কিন্তু দইয়েৰ ভাৰ।'[37]

**৩.০৩.৩১. বেৰি ঘুৰোৱা ঃ**

বিবাহ কাৰ্য সম্পন্ন হোৱাৰ পিছত দৰা-কইনাক চোতালৰ বাহিৰত বেৰি ঘূৰোৱা হয়। ই এক তামসিক কাৰ্য। বেৰি চাৰিওফালে দৰা-কইনাই পাঁচবাৰ ঘূৰিব লাগে। এইদৰে ঘূৰি থাকোতে কইনা ঘৰৰ তিৰোতা এজনীয়ে পাত পাৰি দৈ দিব আন এজনী পাতবোৰ তুলিব। তেতিয়া দৰাঘৰৰ এজনী তিৰোতাই আম পাতেৰে হাততে কোবায়। উপস্থিত থকা আয়তীসকলে উৰুলি দিয়ে।

**৩.০৩.৩২. দুয়োৰ ধৰা ঃ**

বৈদিক আচাৰসমূহ শেষ হোৱাৰ পিছত দৰা-কইনাই জ্যেষ্ঠসকলক প্ৰণাম কৰে। দুয়োজনকে ঘৰৰ ভিতৰলৈ লৈ যায়। ঘৰৰ দুৱাৰত আয়তীসকলে দৰা কইনাক বাধা দিয়ে। দৰাই আয়তীসকলক কিন্তু টকা দিবলগীয়া হয়। আয়তীসকলে হাঁহি-ধেমালীৰে দৰা কইনাক ভিতৰলৈ লৈ যায়। দৰা-কইনাক বহিব দিয়া হয়। দৰা-কইনাৰ মাজত পাশাখেল, কড়িখেল, আঙুঠি খেল, খটুৰা খেল খেলিব দিয়ে। খেল হোৱাৰ পিছত দুয়োজনকে না না বস্তু খাব দিয়া হয়। খোৱা লোৱাৰ পিছত ৰাতিপুৱা হওতে দৰা নিজ ঘৰলৈ যাব সাজু হয়। এয়া এক কৰুণ মুহূৰ্ত। কইনাই বাস্তুদেৱতা, তুলসীতল, পিতা-মাতা আৰু জ্যেষ্ঠজনক সেৱা কৰি কইনাৰ পিতা মাকে দৰাৰ হাতত কইনাক চমজাই দিয়ে। কইনাক লৈ দৰাঘৰে ঘৰলৈ যাত্ৰা দিয়ে।

**৩.০৩.৩৩. আগৰা খাই বুঢ়ী ঃ**

কইনাৰ সম্বন্ধীয় আইতাক এজনী কইনাৰ লগত যায়। আগৰা খাই বুঢ়ীৰ কথা শাস্ত্ৰৰ বিধিত কতো উল্লেখ নাই। ই এক সুকীয়া সামাজিক পৰম্পৰাহে। আগৰা খাই বুঢ়ীজনী মাকৰ

ফালৰ আইতা হ'ব লাগিব। আগৰা খাই যোৱাৰ তাৎপৰ্য এয়ে যে ন কইনা-জনী নতুন ঘৰখনৰ বিষয়ে একো উৰাদিহ নাপায়। নানাজনে নানা প্ৰশ্ন সুধি কইনাক ব্যতিব্যস্ত কৰি তোলে। তেতিয়া আগৰা খাইজনীয়ে কইনাৰ লাখুটি স্বৰূপ হৈ পৰে। দৰাঘৰত কন্যাক বিভিন্ন প্ৰকাৰে দিহা-পৰামৰ্শ দিয়ে। কইনাক আগুৰি থকা বাবে আইতাজনী আগৰা খাই বুঢ়ী বোলে। ইয়াৰ উপৰিও দাম্পত্যজীৱনৰ কিছুমান নিয়ম-নীতিৰ কথাও শিকাই দিয়ে। সেয়ে আগৰা খাইৰ প্ৰয়োজনীয়তা একেবাৰেই নুই কৰিব নোৱাৰি। ন কইনাক সহায় কৰিবৰ বাবে লোক সমাজত পৰম্পৰাগতভাৱে এই ৰীতি চলি আছে।

**৩.০৩.৩৮. বাহী বিয়া/বাসী বিয়া ঃ**

কইনাঘৰৰপৰা বিদাই লৈ দৰাৰ ঘৰ পোৱাৰ পিছত তোৰণৰ পৰা দৰা-কইনাক আদৰি লৈ যায়। দৰাৰ ঘৰত বাহী বিয়া পতা হয়। বাহী বিয়াৰ সময়তে দৰাঘৰৰ আত্মীয়ই দৰা কইনাক উপহাৰ দান দিয়ে। দৰা কইনাই প্ৰথম আহি ঠাকুৰ ঘৰত সেৱা কৰে। দৰা কইনাক চোতালত বহাই লৈ পাশাখেল, কড়িখেল, আঙুঠি খেল খেলিব দিয়ে। আকৌ দৰা কইনাক ঘৰৰ দেৱ-দেৱতাক সেৱা কৰি পিতা-মাতা আৰু ডাঙৰক সেৱা কৰে। ইয়াৰ পিছত দৰা-কইনাক বাসৰ ঘৰত প্ৰৱেশ কৰিব দিয়া হয়। ন কইনাই সিদিনা গোহালীৰ গোবৰ পেলাব লাগে আৰু শেষত গা-পা ধুই বেলেগ শাড়ী পিন্ধে।

**৩.০৩.৩৫. বৌভাত বা পাক পৰশ।**

বিয়াৰ পিছদিনা বা সুবিধা অনুযায়ী দুদিন পিছত দৰাঘৰত বৌ ভাত বা পাক পৰশ অনুষ্ঠানটো পাতে। সেইদিনা নতুন কইনাই সমাজৰ মানুহক ভাত বা পায়স পৰিৱেশন কৰে। সেইদিনা দৰাৰ পিতা বা দৰাজনে সমাজৰ লোকসকলক নিমন্ত্ৰণ জনায়। সমাজৰ মানুহ খালেহে বেলেগ নিমন্ত্ৰিত মানুহ খাব পাৰিব। মূলত বৌভাত অনুষ্ঠানৰ জৰিয়তে ন-কইনাৰ সামাজিকৰণ ঘটে।

**৩.০৩.৩৬. অষ্টমংগল ঃ**

বিয়াৰ আঠদিনৰ ভিতৰত অষ্ট মংগল পালন কৰা হয়। অষ্টমংগলেই বিয়াৰ শেষ লোকাচাৰ।

অষ্টমংগলৰ পিছত বিবাহ সম্পৰ্কীয় একো লোকাচাৰ পালন কৰা নহয়। অষ্টমংগলৰ আঠোৰাৰিও বোলা হয়। কইনাৰ পিতা-মাতা দৰা-কইনাৰ নিজৰ ঘৰলৈ নিমন্ত্ৰণ কৰে। দৰা-কইনাৰ লগতে পাঁচ-ছয়জন মানুহ আহে। কইনাপক্ষই তেওঁলোকক আপ্যায়িত কৰে। অষ্টমংগলত জীয়েক জোঁৱায়েকক নানা ব্যঞ্জনেৰে খুৱাই আৰু বস্ত্ৰ প্ৰদান কৰে। অষ্টমংগল আজিকালি তিনি চাৰিদিনৰ ভিতৰত ভংগ কৰা দেখা যায়।

অষ্টমংগলৰ পিছত দৰাঘৰে অধিকাৰী মাতি আনে। অধিকাৰীয়ে দৰা-কইনাক যুগলে লৈ পূজা কৰে। তাৰ পিছত বৰণডালা চাইলন বাতি ভংগ কৰা হয়।

বৰণডালা নভঙালৈকে দৰাঘৰেৰে হওক বা কইনা ঘৰৰে হওক বৈৰাতী দুয়োজনীয়ে একো কামে কৰিব নোৱাৰে। অধিকাৰীয়ে বৈৰাতীক শান্তি কৰি দিয়ে। অধিকাৰীৰদ্বাৰা দৰা-কইনাক নামমন্ত্ৰ দিয়া হয়। নামমন্ত্ৰ অবিহনে জ্যেষ্ঠজনে কইনাৰ হাতত পানী এগিলাচো গ্ৰহণ নকৰে।

**৩.০৪. বিবাহ বিচ্ছেদ ঃ**

কোচ ৰাজবংশী সমাজত বিবাহ বিচ্ছেদ বিভিন্ন কাৰণত হৈছিল। বিবাহ বিচ্ছেদৰ সংখ্যা সীমিত আছিল। বিবাহ বিচ্ছেদৰ কাৰণসমূহ তলত দিয়া হ'ল—

1¼ "স্বামী-স্ত্ৰীয়ে শান্তিপূৰ্ণভাৱে বসবাস কৰিবলৈ সন্মত নহ'লে বিবাহ বিচ্ছেদ হয়।

2¼ পতি বা পত্নী ব্যাভিচাৰী বা ব্যাভিচাৰিণী হ'লে বিচ্ছেদ ঘটে।

3¼ পতি বা পত্নীয়ে সন্তান জন্ম দিবলৈ অক্ষম হ'লে বা কোনো দুৰাৰোগ্য ব্যাধিত ভূগিলে বা কোনো বেয়া বেমাৰ হ'লে বিবাহ বিচ্ছেদ ঘটে।

4¼ পতিয়ে পত্নীক ভৰণ-পোষণ দিব নোৱাৰিলে বিচ্ছেদ হয়।

5¼ ঘৰ-জোঁৱাইয়ে কইনাৰ পিতৃ-মাতৃৰ ব্যৱহাৰত অতিষ্ঠ হ'লে বা ঘৰজোঁৱাইক অতি কঠোৰ শ্ৰম দিব লাগিলে নাইবা জোঁৱাই নিৰুদ্দেশ হ'লে বিবাহ বিচ্ছেদ হয়।

6¼ ছোৱালীক তাইৰ গিৰিয়েকৰ ঘৰলৈ দুবছৰ কাল যাবলৈ দিয়া নহ'লে বিবাহ বিচ্ছেদ হয়।

7¼ ছোৱালীয়ে পুনঃ বিবাহ কৰিলে বিচ্ছেদ হৈছিল।[38]

কোচ ৰাজবংশী সমাজত গাঁৱৰ ৰাইজৰ বিচাৰত বিবাহ বিচ্ছেদ হৈছিল। বিবাহ বিচ্ছেদ

হোৱা মহিলাগৰাকী পিছত বেলেগৰ লগত বিয়াত বহিব পাৰিছিল। বিবাহ বিচ্ছেদ হোৱা মহিলাক কোচ ৰাজবংশী সমাজত 'ভাতাৰ চাৰী' বুলি কোৱা হয়।

কোচ ৰাজবংশী সমাজত 'পাণ ছিঙি' বিচ্ছেদ হৈছিল। পতি-পত্নীৰ মাজত এৰা-এৰি হ'ব লাগিলে দুইজনে দুইপক্ষৰ ৰাইজক মাতি ৰাইজৰ সিদ্ধান্ত মতে পতি-পত্নীয়ে এযোৰ পাণ ধৰি টানি ফালি দিলে দুয়োজনৰ মাজত বিচ্ছেদ হৈছিল।

বিবাহ বিচ্ছেদ হোৱাৰ পিছত 'সতি-সন্তান সাবালক হ'লে পিতৃৰ লগত থাকিছিল। সন্তান অতি নাবালক হ'লে মাকৰ লগত থাকিছিল। সাবালক হোৱাৰ পিছত তেওঁ ইচ্ছা কৰিলে মাক নাইবা পূৰ্ব পিতৃৰ লগত থাকিব পাৰিছিল'।[39]

**৩.০৫. বিবাহ সম্পৰ্কীয় অন্যান্য লোকাচাৰ আৰু লোকবিশ্বাস ঃ**

**৩.০৫.১. সুবচনী পূজা ঃ**

কোচ ৰাজবংশী সমাজত যিকোনো শুভকাম আৰম্ভ কৰাৰ আগতে সুবচনী পূজা কৰা হয়। সুবচনী পূজা স্ত্ৰী লোকাচাৰ। এই পূজা মহিলাসকলহে কৰে। 'সুবচনী পূজাৰ লগতে পঞ্চকন্যা, নেবৰা-নেবৰী (ভূত-প্ৰেত্যানী), পূজা দিয়া হয়'।[40]

এই পূজাৰ বাবে আগলতি কলপাতত যোল্লটিয়া কলৰ থাতি (আখি) স্থাপন কৰি তাত গাখীৰ, কল, আৰৈ চাউল, তামোল-পাণ, চূণ, সেন্দুৰ, ফল-মূলৰ নৈবদ্য দিয়া হয়। এই পূজাত সুবচনী দেৱীৰ মহিমা বৰ্ণনা কৰা হয়। পূজাৰ শেষত উপস্থিত মহিলাসকলে কপালত সেন্দুৰ পিন্ধে।

**৩.০৫.২. বিবাহৰ যাত্ৰাকালীন লোকবিশ্বাস ঃ**

আমাৰ সমাজত যাত্ৰাকালীন লোকবিশ্বাস আগৰে পৰাই চলি আছে। কিছুমান দৃশ্য দেখা আমাৰ কাৰণে ভাল বা মংগলসূচক আৰু কিছুমান দৃশ্য আমাৰ কাৰণে অমংগল সূচক।

এই লোক বিশ্বাসৰ জৰিয়তে বিবাহৰ পৰৱৰ্তী সময়ত ভাল বেয়াৰ বিচাৰ কৰা হয়।

বিবাহৰ কাৰণে যাত্ৰা আৰম্ভ কৰাৰ আগতে ঘৰৰ দেৱতা, তুলসী ঠাকুৰ, মাক-দেউতাক সেৱা কৰি যাব লাগে।

কইনা চাবৰ যোৱাৰ সময়ত কিছুমান শুভ আৰু কিছুমান অশুভ লক্ষণ আছে।

**(ক) যাত্ৰাকালীন শুভ লক্ষণ ঃ**

কইনা চাবলৈ যোৱাৰ সময়ত মৰাশ দেখা বা শ্মশানত মৰাশ লৈ যোৱা দেখা পায়। তেন্তে এয়া শুভ লক্ষণ বুলি ভবা হয়। পানীভৰ্তি কলহ দেখা পোৱা ভাল। যোৰ শালিকা দেখা ভাল বুলি ভবা হয়। যদি কোনোবাই ধানৰ বোজা কঢ়িয়াই লৈ গৈ থকা দেখা পায় তেতিয়া শুভ বুলি ভবা হয়। ছোৱালীৰ ঘৰৰ চোতালত ধান মেলি দিয়া দেখিলে ভাল। বিয়াৰ বাবে কইনা চাবলৈ আহি যদি বাঢ়নীৰে চোতাল সৰা দেখা পোৱা তেনেহ'লে ছোৱালীজনী লক্ষ্মীমতী হয়।

**(খ) যাত্ৰাকালীন অশুভ লক্ষণ ঃ**

যাত্ৰাৰ সময়ত উজুটি খোৱা বেয়া। মূৰত আঘাট পোৱা বেয়া, বাঁহ কাটি থকা দেখা বেয়া। মাটি খন্দা দেখা বেয়া। খালী কলহ দেখা বেয়া, হাই-কাজিয়া লাগি থকা দেখা বেয়া। সাপ, মেকুৰী দেখা বেয়া, "কাপোৰৰ বাবে বাতি কাঢ়ি থকা দেখা বেয়া।"[41] ছোৱালীৰ চোতালত জুই লাগি থকা বেয়া।

এই যাত্ৰাকালীন ভাল বেয়াৰ লক্ষণবোৰ এতিয়া বহু পৰিমাণে শিথিল হোৱা দেখিবলৈ পোৱা যায়।

**(গ) বিয়াৰ অশুভ লক্ষণ ঃ**

দৰা বা কইনাৰ বিয়াৰ আলোচনা কৰাৰ সময়ত আলোচনা কৰা দিনৰ পৰা কমেও তিনিদিন দৰা বা কইনাৰ ঘৰত কোনোধৰণৰ অশুভ ঘটনা ঘটিলে বিয়াৰ আলোচনা বাদ দিয়া হয়। ল'ৰা বা ছোৱালী চাব যোৱাৰ সময়ত পৰিয়ালৰ মানুহৰ যদি কোনো দুৰ্ঘটনা হয় তেতিয়া অশুভ বুলি ভাবি বিয়াৰ আলোচনা বন্ধ কৰি দিয়ে। এইবোৰ কোচ ৰাজবংশী সমাজত প্ৰচলিত লোকবিশ্বাস।

**৩.০৫.৩. (খ) বিবাহৰ দিন তাৰিখ ঠিক কৰাৰ ক্ষেত্ৰত প্ৰচলিত লোকবিশ্বাস ঃ**

কোচ ৰাজবংশী লোকসকলে বিয়াৰ দিন বাৰ ঠিক কৰোঁতে পঞ্জিকাৰ আশ্ৰয় লয়। দিন তাৰিখ ঠিক কৰাৰ ক্ষেত্ৰত গোটেই দিশ বিলাক চালি জাৰি চোৱা হয়। বিয়া সম্পৰ্কে পোৱা যায় যে "আহাৰ মাহত বিয়া হ'লে কন্যা ধন-ধান্য, ভোগ-ৰহিতা, শাওনত মৃতবৎসা, ভাদ মাহত বেশ্যা, আহিন মাহত মৃত্যু, কাতি মাহত ৰোগযুক্তা পুহ মাহত আচাৰ ভ্ৰষ্ঠা আৰু স্বামী বিৰোধিনী,

চত মাহত কন্যা মদনোন্মত্তা হয়। বাকি মাহত বিয়া হ'লে কন্যা পতিব্রতা আৰু ঐশ্বৰ্যযুক্তা হয়"।[42]

ইয়াৰোপৰি মংগলবাৰ আৰু শনিবাৰে শুভ কাৰ্য কৰাটো অমংগল বুলি ভবা হয়। অমাৱস্যা তিথিত বিয়া পতা নহয়। দৰা-কইনাৰ জন্ম মাহত, জন্ম বাৰত বিয়াৰ দিন কৰা নহয়, জ্যেষ্ঠ পুত্ৰ হ'লে জ্যেষ্ঠ মাহত বিয়া পতা নহয়। পিতা-মাতাৰ মৃত্যু হ'লে এবছৰ অশৌচ থাকে। আৰু এবছৰৰ ভিতৰত কোনো শুভ কাম কৰা নহয়।

**৩.০৫.৪. বিবাহৰ ক্ষেত্ৰত বাধা-নিষেধ আৰু লোকবিশ্বাস ঃ**

'কোচ ৰাজবংশী সমাজত ভাই-ভনীৰ মাজত বিয়া, নিকট আত্মীয়ৰ লগত বিয়া, ধোকৰ বেটা আৰু ধোকৰ মাতৃৰ ল'ৰা-ছোৱালীৰ লগত বিয়া, সৰু ভাইৰ বিধৱা স্ত্ৰীক বিয়া কৰোৱা নিষেধ'[42] গুৰু বংশ আৰু অধিকাৰী বংশৰ ছোৱালীক সাধাৰণ ৰায় মানুহে বিয়া পাতিব নোৱাৰে।

কোচ ৰাজবংশী সমাজত বিয়াৰ ক্ষেত্ৰত কিছুমান লোকবিশ্বাস প্ৰাচীন কালৰে পৰা চলি আছে—

[1] গুৰু বংশত বিবাহ কৰা নিষেধ।

[2] পিতৃ বংশৰ চৈধ্য পুৰুষ মানিব লাগিব।

[3] মাতৃ বংশৰ সাত পুৰুষ মানিব লাগিব।[43]

কোচ ৰাজবংশী সমাজত এক গোত্ৰৰ মাজত বিবাহ হোৱা দেখিবলৈ পোৱা যায়। গোত্ৰৰ ক্ষেত্ৰত জনজাতীয়সকলৰ দৰে কঠোৰ নহয়। ৰাজবংশী সমাজত উপবীত (লগুণ) ধাৰণ নকৰিলে বিবাহ কৰা নিষেধ। বিয়াৰ সকলো কামতে সহায়-সহযোগিতা কৰিবলৈ গাঁৱৰ ৰাইজক দৰা-কইনাৰ পিতৃয়ে তামোল-পাণেৰে নিমন্ত্ৰণ জনায়। পিছত গাঁৱৰ ৰাইজে সকলো দায়িত্ব মূৰ পাতি লয়।

বিয়াত দৰাই মুকুট বা পাগুৰী পিন্ধে। মুকুটত ময়ুৰ থাকিব। পাগুৰিৰ কাপোৰক 'ফালি' কাপোৰ বোলা হয়। এই কাপোৰ দহহাত দীঘল আৰু দহ ইঞ্চি প্ৰস্থ। এই কাপোৰ একেদিনে বাতি কাঢ়ি একে দিনাই বৈ উলিয়াব লাগিছিল।

বাজি বা বাজনাৰ পাৰ্টি (আজিকালি Band Party) অবিহনে এখন বিয়া কল্পনাই কৰিব নোৱাৰি। কোচ ৰাজবংশী সমাজত বাজনাক ভুই মালি বুলি কোৱা হয়। বাজনা আহি পালে বৈৰাতীয়ে তেওঁলোকক বৰণ কৰি লৈ আহে। বাজনা ভাল হ'বৰ বাবে শুকান জলকীয়া পুৰি দিয়া হয়। যাতে কাৰো নজৰ নালাগে।

কোচ ৰাজবংশী সমাজত বিয়া এখনত লোকবিশ্বাস আৰু লোকাচাৰ সমূহ পৰম্পৰাগত ভাৱে আবহমান কালৰে পৰা চলি আহিছে। বৰ্তমান সময়ত ইয়াৰ বহুতো পৰিৱৰ্তন আমি লক্ষ্য কৰিব পাৰো।

**পাদটীকা**

1¼ সুভাষ চন্দ্র রায় ঃ রাজবংশী সমাজর বিবাহ ব্যৱস্থা, পৃ. 1¼

2¼ সুভাষ চন্দ্র রায় ঃ পূর্বোল্লিখিত, পৃ.2¼

3¼ ঐ, পৃ. 3¼

4¼ ঐ, পৃ. 2¼

5¼ ঐ, পৃ. 2¼

6¼ মনু সংহিতা ঃ পৃ. 51¼

7¼ ঐ, পৃ. 51¼

8¼ ঐ, পৃ. 51¼

9¼ ঐ, পৃ. 52¼

10¼ দ্বিজেন্দ্র নাথ ভকত ঃ অসমৰ কোচ ৰাজবংশী জনজাতি, পৃ. 107¼

11¼ ঐ,পৃ. 107ø¼

12¼ ঐ, পৃ. 108¼

13¼ ঐ, পৃ. 109¼

14¼ ঐ, পৃ. 108¼

15¼ ঐ, পৃ. 108¼

16¼ সংবাদদাতা ঃ কামাখ্যা অধিকাৰী (55], টুনীয়াডাঙ্গা কোকৰাঝাৰ।

17¼ লাবণ্য ভকত ঃ ৰাজবংশী বিয়াৰ গান, পৃ. 8¼

18¼ সংবাদদাতা ঃ জহৰলাল অধিকাৰী, [80], বনৰগাঁও, কোকৰাঝাৰ।

19¼ নেউচ পাত ঃ আগলতি কলপাত।

20¼ যোলটিয়া কল ঃ 16টা কল থকা আখি, আঠ যোৰ কল থকা আখি।

21¼ চাইলন বাতি ঃ চালানী বাতি, বাঁহৰ কুলাত চাকি-বন্তি, ধান, কড়ি, পইচা, দুবৰি বন দি সজোৱা হয়। শুভ কামত ইয়াক ব্যৱহাৰ কৰা হয়।

22¼ সুভাষ চন্দ্র রায় ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 16¼

23¼ চাটি ঃ বাঁহ আৰু খেৰ বা কুশ বনেৰে বনোৱা বহা আসন।

24¼ গোনতেল ঃ কালিজিৰা, হালধি, মথা, আসলিবুন, মেথি ইত্যাদি দি গোনতেল বা গোন্ধতেল বনোৱা হয়।

25¼ লাবন্য ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 49¼

26¼ অঞ্চলসমূহ ঃ সেৰফানগুৰি, ৰামফলবিল, হোকমাবিল, ইত্যাদি অঞ্চল।

27¼ সন্ধ্যা পহৰা ঃ এক প্ৰকাৰ মছলা জাতীয় উদ্ভিদ, দৰা-কইনাৰ গা ধুৱাওঁতে ব্যৱহাৰ কৰা হয়।

28¼ নিমচ পাত ঃ আগলতি কলপাত।

29¼ সংবাদদাত্ৰী ঃ ৰাজোবালা ৰায় (50], কালাইগাঁও, কোকৰাঝাৰ।

30¼ পাপৰী ৰায় ঃ সুবচনী, পৃ. 48¼

31¼ সংবাদদাত্ৰী ঃ জগতেশ্বৰী ৰায়, [60], কালীপুখুৰী, কোকৰাঝাৰ।

32¼ সংবাদদাত্ৰী ঃ লিপিকা ৰায় (24], গঙ্গাজাফলং, কোকৰাঝাৰ।

33¼ সুভাষ চন্দ্র ৰায় ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 25¼

34¼ তৰণীকান্ত ৰায় ঃ কাচিনী, পৃ. 45¼

35¼ ঐ, পৃ. 51¼

36¼ সংবাদদাতা ঃ ৰমেশ চক্ৰৱৰ্তী (55], নলবাৰী।

37¼ সংবাদদাতা ঃ দয়াল ৰায় (70], গঙ্গাজফলং, কোকৰাঝাৰ।

38¼ দ্বিজেন্দ্ৰনাথ ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 112¼

39¼ ঐ, পৃ. 112¼

40¼ সংবাদদাত্ৰী ঃ ৰেণুবালা ৰায়, [60], বনৰগাঁও কোকৰাঝাৰ।

41¼ সংবাদদাত্ৰী ঃ হিৰণবালা ৰায়, [60], কালীপুখুৰী, কোকৰাঝাৰ।

42¼ তৰুণ ৰায় ঃ বেনা, পৃ. 29¼

43¼ সংবাদদাতা ঃ কামাখ্যা অধিকাৰী, (55], টুনীয়াডাঙ্গা, কোকৰাঝাৰ।